# শিল্পী



এ সোপামান অনুৰাগীৰ প্ৰশংসাৰ বন্যাৰ মাজতো এক স্থিতপ্ৰজ্ঞ মুনিৰ দৰে বহি ৰৈছিল কাব্যনীল পৰাশৰ। এমুখ আধা পকা দাড়িৰ মাজত ওলাই থকা ভাবলেশহীন মুখখনলৈ চাই অনুমান কৰা একেবাৰে কঠিন যে প্ৰশংসাৰ সেই ধলে প্ৰৱেশ কৰিব পাৰিছে নে নাই তেওঁৰ হৃদয়ৰ অভ্যন্তৰত। প্ৰদৰ্শনীত উপস্থিত থকা সকলোৱে উবুৰি খাই পৰিছে তেওঁৰ সৈতে এখন ফটো উঠিবলৈ, এটি অটোগ্ৰাফ সংগ্ৰহ কৰি চিৰদিনৰ বাবে সাঁচি ৰাখিবলৈ। কিন্তু কাব্যনীলে সেই সকলোবোৰৰ পৰা যিমান পাৰে আঁতৰি আৰ্ট গেলেৰীটোৰ এচুকত সহজে আনে চকু নপৰা এডোখৰত বহি ৰৈছে মনে মনে। একেই সেই ভাবলেশহীন মুখ। নিৰ্লিপ্ত চাৱনি।

চিত্ৰশিল্পী কাব্যনীল পৰাশৰৰ এই নিস্পৃহতা অৱশ্যে সকলোৰে পৰিচিত। যশ-খ্যাতিৰ এই দৌৰৰ খেলখনৰ পৰা তেওঁক সদায় আঁতৰি থকা দেখা যায়। এনে মুহূৰ্তবোৰত তেওঁৰ পত্নী নৱমল্লিকাৰ দায়িত্ব যেন বহুত বাঢ়ি যায়। অনুৰাগী, সংবাদ সেৱীৰ কাব্যনীল পৰাশৰক লৈ যি উৎসুকতা তাক পূৰণ কৰিবলৈ তেওঁ যথাসম্ভৱ চেষ্টা কৰে। বিয়াৰ পাছৰ পৰাই অতি কম কথা কোৱা এই মানুহজনৰ সেই দায়িত্বখিনি অতি নিষ্ঠাৰে পালন কৰি আহিছিল নৱমল্লিকাই। আচলতে এই কামখিনি কৰি তাই অনাবিল প্ৰশান্তি অনুভৱ কৰিছিল। যেতিয়া মানুহবোৰে কাব্যনীলৰ শিল্প কৰ্মক লৈ প্ৰশংসামুখৰ হৈ পৰিছিল তেতিয়া তাইৰ বুকু গৌৰৱৰে ওফন্দি উঠিছিল। তাই গম পাইছিল এনে এগৰাকী ব্যক্তিৰ সহধৰ্মী হোৱাৰ বাবে বহুতে তাইৰ প্ৰতি ঈৰ্ষান্বিতও হৈছিল। তাইৰ ভাব হৈছিল সুখৰ এক স্বপ্নময়তাত যেন তাই বিচৰণ কৰি ফুৰিছিল। কিন্তু সুখানুভূতিৰ এই দীৰ্ঘ পৰিক্ৰমাৰ পাছত কিছুদিনৰ পৰা তাইৰ ভাব হৈছে যেন তাই হঠাৎ ভীষণ ভাগৰুৱা হৈ পৰিছে। তাইৰ হৃদয়ত যেন সৃষ্টি হৈছে শূন্যতাৰ এক কৃষ্ণ গহ্বৰ।

আজি তৃতীয় দিনাখনো তাই এই চিত্ৰ প্ৰদৰ্শনীখনত আহিছে কেৱল দায়বদ্ধতাৰ এক গধুৰ বোজা লৈ। এইবাৰ চিত্ৰপ্ৰদৰ্শনীখনত সকলোকে আকৰ্ষণ কৰিছে 'মঙহ' নামৰ ছবিখনে। যিকোনো সংবেদশীল মানুহকে চুই যাব পৰা এখন ছবি। তেজৰ ডোঙা, মঙহৰ গোন্ধত দীঘলকৈ জিভা মেলি ৰোৱা কেইটামান সাৰমেয়, এগৰাকী অসহায় নাৰীৰ আৰ্তনাদ, চৌপাশে ওলমি ৰোৱা কিছুমান নিৰুদ্বেগ, অ-সংবেদনশীল বিশৃংখল মুখ— সকলোবোৰেই যেন জীৱন্ত ৰূপ লৈ উঠিছে কাব্যনীল পৰাশৰৰ কেনভাছত।

'এগৰাকী শিল্পী কিমান সংবেদনশীল, কিমান সুকোমল হৃদয়ৰ হ'লে বাৰু এনে এখন ছবিয়ে প্ৰাণ পাই উঠিব পাৰে?' — এখন ই-মেগাজিনৰ সাক্ষাৎকাৰৰ বাবে নোটবুক আৰু কলম উলিয়াই ছোৱালীজনীয়ে কৰা প্ৰশ্নটোত ভিতৰলৈ কঁপি উঠিছিল নৱমল্লিকাই। তাইৰ দুচকুলৈ ভাহি আহিছিল শীতৰ ঠেৰেঙালগা জাৰৰ সেই দেওবাৰৰ পুৱাটো। বিয়াৰ পাছৰ পৰাই দেখিছিল কাব্যনীল পুৱা খুব সোনকালেই উঠে। সেইদিনাখনো একো ব্যতিক্ৰম ঘটা নাছিল। আন দিনবোৰৰ দৰে সিদিনাখনো তাই উঠিয়েই গৰম চাহকাপ বনাই মানুহজনৰ ৰুমলৈ গৈছিল। তাই দেখি আচৰিত হৈছিল সেই পুৱাতেই মানুহজনে ইজেলত আঁৰি লোৱা কেনভাছত খৰ খৰকৈ তুলিকা বুলাইছে। মানুহজনে যেন কিবা এক উত্তেজনাত ফোপাইছে। ঘৰে ঘনে তিনিমহলীয়া ঘৰটোৰ খিৰিকীৰে তলৰ ৰাজপথটোলৈ চাইছে। পুনৰ কেনভাছত তেওঁৰ হাতখন অস্থিৰতাৰে ঘূৰি ফুৰিছে। বুজিব নোৱাৰা উৎসুকতাৰে নৱমল্লিকাই গৈ খিৰিকীখনৰ কাষলৈ গ'ল। লগে লগে এক হীমস্ৰোত যেন তাইৰ শৰীৰৰ মাজেৰে বৈ গৈ গ'ল। বাটৰ কাষৰ আৱৰ্জনাৰ দমটোৰ মাজত এডোঙা তেজৰ মাজত সদায় দেখি থকা পাগলীজনী বহি আছে। তাইৰ কোলাত এটি নৱজাতক। তেজৰ গোন্ধ পাই এজাক কুকুৰে ঘেৰি ধৰিছে তাইক। সিহঁতে তাইৰ হাতৰ পৰা আঁজুৰি আনিব চেষ্টা কৰিছে সেই নৱজাত শিশুটিক। পাগলীজনীৰ মুখত বেদনা-ভীতিৰ অদ্ভুত সংমিশ্ৰণ। অথচ সেয়া যেন চিৎকাৰ হৈ বাহিৰ ওলাই আহিব পৰা নাই।

কিন্তু সেয়া চিৎকাৰ হৈ ওলাই আহিল নৱমল্লিকাৰ পৰা। তাইৰ এনে লাগিল যোৱা দহ বছৰে ধৰি একেলগে বাস কৰা এই মানুহজন তাইৰ সম্পূৰ্ণ অচিনাকি। এগৰাকী শিল্পীৰ হৃদয়ৰ কোমলতাত আশ্ৰয় ল'বলৈ তাই যিদৰে হাঁহিমুখে নিজা ঘৰ এৰি আহিছিল সেইগৰাকী শিল্পীমনৰ মানুহৰ মাজত লুকাই থকা এই ক্ৰুৰতাৰ বিষয়ে তাই একেবাৰে অজ্ঞাত আছিল। কিমান ক্ৰুৰতাৰে পূৰ্ণ হ'লে বাৰু কোনোবাই এনে নিদাৰুণ দৃশ্য এটিক নিজৰ যশ সৃষ্টিৰ মাধ্যম বনাব পাৰে। ইমান দিনে দেখুৱাই অহা কাব্যনীলৰ নিস্পৃহতা তাৰ মানে এখন মুখাহে মাথোন। তাইৰ হঠাৎ ওকালি ওলাই আহিব খুজিছিল। তিনি মহলাৰ ঘৰটোৰ পৰা ছিৰি ভাঙি ভাঙি যেতিয়ালৈ তাই ৰাজপথ পাইছিল তেতিয়ালৈ বহুতো সহৃদয় মানুহৰ বেষ্টনীৰ মাজত পাগলীজনী মোটামুটি নিৰাপদ হৈ পৰিছিল। কিবা এক ক্ষোভত নৱমল্লিকাই মূৰ তুলি সেই বিশেষ খিৰিকীখনলৈ চাইছিল। ইমান দূৰৰ পৰাও যেন তাই অনুভৱ কৰিছিল এই সহৃদয় মানুহবোৰৰ প্ৰতি কাব্যনীলৰ দুচকুত ভাহি উঠা ক্ৰোধৰ অনল; এখন 'শ্ৰেষ্ঠ ছবি'ৰ পৰা এই নিৰ্বোধ মানুহবোৰে তেওঁক বঞ্চিত কৰাৰ ক্ৰোধ।

নৱমল্লিকা উভতি আহিছিল বৰ্তমানলৈ। উত্তৰৰ আশাত ছোৱালীজনীয়ে তেতিয়াও অতি আগ্ৰহেৰে নৱমল্লিকাৰ মুখলৈ চাইয়েই আছিল। কি ক'ব বাৰু তাই ছোৱালীজনীক? ক'ব পাৰিবনে বাৰু কেনভাছত তেজৰ ডোঙৰ মাজত ছটফটাই থকা পাগলীজনীৰ চৌপাশে নিৰ্লিপ্ততাৰে বিচৰণ কৰি ফুৰা মুখবোৰ আচলতে আন কাৰো নহয়; সেই মুখবোৰ পাশৱিক ক্ৰুৰতাৰে ভৰা এজন শিল্পীৰ। শিল্পী কাব্যনীল পৰাশৰৰ। তাই জানে তাই নোৱাৰে ক'ব। এক অপ্ৰকাশিত ক্ষোভত নৱমল্লিকাৰ গাল-মুখ ৰঙা পৰি গ'ল। তাইৰ চকু পুনৰ আৰ্ট গেলেৰীৰ সেই বিশেষ চুকটোলৈ গ'ল। দেখিলে মুখত নিৰ্মোহ-নিৰ্লিপ্ততাৰ প্ৰলেপ সানি স্থিতপ্ৰজ্ঞৰ দৰে তেতিয়াও বহি ৰৈছে তাত সুদক্ষ সেই ভাৱৰীয়াজন।

— জিতুমণি পাঠক

ফোন : ৯৮৫৪০-১৮১১৭